অসমীয়া ভাষা الآسامية

# 3 তাওহীদৰ প্ৰকাৰসমূহ

ৰুবুবিয়্যত (প্ৰভুত্ব), উলুহিয়্যত (ইবাদত) আৰু আচমা অছিফাত (নাম আৰু তেওঁৰ গুণাৱলী) আদিৰ ক্ষেত্ৰত আল্লাহক একক তথা অদ্বিতীয় বুলি বিশ্বাস কৰা।

তাওহীদ হৈছে তিনি প্ৰকাৰ

### তাওহীদুল আচমা অছিফাত (নাম আৰু গুণাৱলীৰ ক্ষেত্ৰত তাওহীদ)

আল্লাহে স্বয়ং তেওঁৰ নিজৰ বাবে যিবোৰ নাম আৰু গুণাৱলী পৱিত্ৰ কোৰআনত নিৰ্ধাৰণ কৰিছে অথবা ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে যিবোৰ নাম আৰু গুণাৱলীৰে তেওঁক বিশেষিত কৰিছে, সেইবোৰক সেইমতে স্বীকাৰ কৰিব লাগিব যিদৰে বৰ্ণিত হৈছে। তাত কোনো ধৰণৰ পৰিবৰ্তন, পৰিবৰ্ধন, ধৰণ-গঠণ বিকৃতি আদি কৰা কোনো পধ্যেই বৈধ নহয়।

### তাওহীদুল উলুহিয়্যাহ (ইবাদতৰ ক্ষেত্ৰত তাওহীদ)

সৰ্বশক্তিমান আল্লাহক ইবাদতত তথা বান্দাৰ সকলো কৰ্ম সম্পাদনৰ ক্ষেত্ৰত একক বুলি বিশ্বাস কৰা।

### তাওহীদুৰ ৰুবুবিয়্যাহ (প্ৰভুত্বৰ ক্ষেত্ৰত তাওহীদ)

অৰ্থাৎ কৰ্মত আল্লাহক একক বুলি বিশ্বাস কৰা, তথা সৃষ্টি কৰাৰ ক্ষেত্ৰত, ৰাজত্বৰ ক্ষেত্ৰত আৰু পৰিচালনাৰ ক্ষেত্ৰতো আল্লাহক একক তথা অদ্বিতীয় বুলি স্বীকাৰ কৰা।

# দ্বীনৰ পৰ্যায় হৈছে তিনিটা

### ইহছান

ইহছান হৈছে আল্লাহৰ ইবাদত এনেকৈ কৰা যেনিবা তুমি আল্লাহক দেখি আছা, আৰু যদি এইটো অনুভৱ নহয় তেন্তে মনত ৰাখিবা তেওঁ তোমাক দেখি আছে।

**ইয়াৰ এটাই ৰুকন কিন্তু দুটা স্তৰ**

১- প্ৰত্যক্ষ দৰ্শন হিচাপে ইবাদত কৰা, অৰ্থাৎ এইটো অনুভৱ কৰি আল্লাহৰ ইবাদত কৰা যে, তুমি আল্লাহক দেখি আছা।

২- আনহাতে যদি সেইটো অনুভৱ নহয়, তেন্তে এইটো অনুভৱ কৰিবা যে, আল্লাহে তোমাক দেখি আছে।

### ঈমান

মৌখিকভাৱে স্বীকাৰ কৰা, অন্তৰেৰে বিশ্বাস কৰা আৰু অংগ-প্ৰত্যংগৰ দ্বাৰা আমল কৰাৰ নামেই হৈছে ঈমান। ঈমান বৃদ্ধি হয় আৰু হ্ৰাসো হয়।

**আৰকানুল ঈমান 6**

১- আল্লাহৰ প্ৰতি ঈমান পোষণ কৰা
২- ফিৰিস্তাসকলৰ প্ৰতি ঈমান পোষণ কৰা
৩- ঐশীগ্ৰন্থসমূহৰ প্ৰতি ঈমান পোষণ কৰা
৪- ৰাছুলসকলৰ প্ৰতি ঈমান পোষণ কৰা
৫- শেষ দিৱসৰ প্ৰতি ঈমান পোষণ কৰা
৬- ভাগ্যৰ মঙ্গল-অমঙ্গলৰ প্ৰতি ঈমান পোষণ কৰা

### ইছলাম

সৰ্বশক্তিমান আল্লাহৰ তাওহীদ স্বীকাৰ কৰি তেওঁৰ ওচৰত আত্মসমৰ্পন কৰা, বৈশ্যতা স্বীকাৰ কৰি তেওঁৰ আনুগত্য কৰা, লগতে শ্বিৰ্ক আৰু মুশ্বৰিকৰ পৰা সম্পৰ্কচ্ছেদৰ ঘোষণা কৰা।

**ইছলামৰ আৰকানসমূহ 5**

১- শ্বাহাদাতাইন
২- নামাজ প্ৰতিষ্ঠা কৰা
৩- যাকাত আদায় কৰা
৪- ৰমাজান মাহৰ ৰোজা ৰখা
৫- সক্ষম হ'লে বাইতুল্লাহৰ হজ্জ কৰা

# 4 হাৰামৰ প্ৰকাৰসমূহ

### চাগীৰাহ গুনাহ

(কাবীৰাহ গুনাহৰ বাহিৰে সকলো গুনাহেই হৈছে চাগীৰাহ গুনাহ) ক্ষমা প্ৰাৰ্থনা কৰিলে কাবীৰাহ গুনাহো মাফ হৈ যায়, আনহাতে চাগীৰাহ গুনাহত অটল থাকিলে সেইটো কাবীৰাহ গুনাহত পৰিণত হয়। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ (সৰু গুনাহৰ পৰাও বিৰত থাকিবা, কিয়নো কেতিয়াবা সৰু গুনাহবোৰো একত্ৰিত হৈ মানুহক ধ্বংসত পতিত কৰে।)

### কাবীৰাহ গুনাহ

(যিবোৰ গুনাহৰ বাবে বিশেষ শাস্তি নিৰ্ধাৰিত আছে সেইবোৰকে কাবীৰাহ গুনাহ বোলে)যেনে- যাদু, পিতৃ-মাতৃৰ অবাধ্যতা, সুত, ব্যভিচাৰ, সমকামিতা, মিছা কথা, মাদক দ্ৰব্য সেৱন, চুৰি, গীবত, অন্যায়ভাৱে কাৰোবাক হত্যা কৰা, অনাথৰ সম্পদ আত্মসাৎ কৰা ইত্যাদি।

### সৰু শ্বিৰ্ক

(ইয়াৰ ফলত বান্দা ইছলামৰ পৰা বহিষ্কৃত নহয়, বৰং এইটো হৈছে এটা কাবীৰাহ গুনাহ)উদাহৰণস্বৰূপে, এনেকৈ কোৱা যে, আল্লাহে আৰু আপুনি যি বিচাৰে। এইদৰে আল্লাহৰ বাহিৰে আনৰ শপত খোৱা, মানুহক দেখুৱাবলৈ আমল কৰা, তাবিজ-কৱচ আদি ব্যৱহাৰ কৰা, কোনো বস্তুক মঙ্গল-অমঙ্গল বুলি বিশ্বাস কৰা, কাঠি আৰু কড়ি আদি এই বিশ্বাসত ওলমাই ৰখা যে, এইবোৰ ৰাখিলে একোৱো ক্ষতি কৰিব নোৱাৰিব বা কুঃদৃষ্টিৰ পৰা সুৰক্ষিত থাকিব।

### শ্বিৰ্কে আকবাৰ

(এই শ্বিৰ্কত লিপ্ত ব্যক্তি ইছলামৰ পৰা বহিষ্কাৰ হৈ যায়, এই শ্বিৰ্কত লিপ্ত হৈ মৃত্যুবৰণ কৰা ব্যক্তি কেতিয়াও ক্ষমাৰ যোগ্য নহয়) উদাহৰণস্বৰূপে, আল্লাহৰ সমকক্ষ স্থিৰ কৰা, আল্লাহৰ ওচৰত যিদৰে দুআ কৰা হয়, সেইদৰে তাৰ ওচৰত দুআ কৰা। অথবা ভয়, আশা আৰু মুহাব্বত সেইদৰেই কৰা, যিদৰে আল্লাহক কৰা হয়। অথবা তাৰ উদ্দেশ্যে কোনো ইবাদত কৰা ইত্যাদি।

sarhaan.com
mahadsunnah.com